**ভাৰত আৰু আইচলেণ্ডৰ মাজত চতুৰ্থ বৈদেশিক কাৰ্যালয় পৰামৰ্শ বৈঠক**

মাৰ্চ 24, 2026

ভাৰত আৰু আইচলেণ্ডে 2026 চনৰ 23 মাৰ্চত ৰেকিয়াভিকত 4ৰ্থ বৈদেশিক কাৰ্যালয় পৰামৰ্শ বৈঠক অনুষ্ঠিত কৰে। ভাৰতীয় পক্ষৰ নেতৃত্ব দিয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব চিবি জৰ্জে আৰু আইচলেণ্ডৰ পক্ষৰ নেতৃত্ব দিয়ে আইচলেণ্ডৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যিক স্থায়ী সচিব মাৰ্টিন ইয়লফছনে। ভাৰতত ইয়াৰ পূৰ্বৰ পৰামৰ্শ বৈঠকখন 2023 চনৰ মাৰ্চ মাহত অনুষ্ঠিত হৈছিল।

2. ভাৰত আৰু আইচলেণ্ডৰ মাজত নিবিড় আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক বিৰাজমান যিটো ৰাজনৈতিক আৰু চৰকাৰী দুয়োটা পৰ্যায়তে নিয়মিত বিনিময়ৰ দ্বাৰা চিহ্নিত হৈছে আৰু যোৱা কেইবছৰমানত এই সম্পৰ্ক অধিক গাঢ় হৈ পৰিছে। ভাৰত আৰু ইএফটিএ বাণিজ্য তথা অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি, যিখন 2025 চনৰ 1 অক্টোবৰৰ পৰা কাৰ্যকৰী হৈছে, সেই চুক্তিয়ে এই সম্পৰ্কত এক নতুন মাত্ৰা প্ৰদান কৰিছে। আইচলেণ্ড ইউৰোপীয় মুক্ত বাণিজ্য ক্ষেত্ৰৰ চাৰিখন সদস্য দেশৰ ভিতৰত অন্যতম।

3. বৈদেশিক কাৰ্যালয় পৰামৰ্শ বৈঠকৰ সময়ত দুয়ো পক্ষই ৰাজনৈতিক, বাণিজ্য আৰু বিনিয়োগ, ভাৰত ইএফটিএ টিইপিএ ৰ ৰূপায়ণ, ভূ-তাপীয় শক্তি, মীন পালন, ক্ষমতা বৃদ্ধি, সংস্কৃতি আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্কক ধৰি সকলো ক্ষেত্ৰতে সহযোগিতাৰ স্থিতিৰ বিস্তৃত পৰ্যালোচনা কৰে। দুয়োপক্ষই 2025 চনত দ্বিপাক্ষিক বাণিজ্যৰ বৃদ্ধি আৰু ভাৰতত আইচলেণ্ডৰ কোম্পানীসমূহৰ বিনিয়োগৰ বিষয়টো স্বীকাৰ কৰে। বহুপাক্ষিক মঞ্চ বিশেষকৈ ৰাষ্ট্ৰসংঘৰ দৰে ক্ষেত্ৰসমূহৰ লগতে ভৱিষ্যতৰ সহযোগিতাৰ দিশসমূহৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়।

4. বৈদেশিক কাৰ্যালয় পৰামৰ্শ বৈঠকে ভাৰত আৰু আইচলেণ্ডৰ চুবুৰীয়া অঞ্চলৰ শেহতীয়া স্থিতিৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ ওপৰত মত বিনিময় কৰাৰ এক সুযোগ প্ৰদান কৰে। উভয় পক্ষই বহুপাক্ষিক সংযোগৰ গুৰুত্ব আৰু গোলকীয় প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত নিৰন্তৰ আলোচনা চলাই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

5. ৰেকিয়াভিক ভ্ৰমণৰ সময়ত সচিব (পশ্চিম)গৰাকীয়ে আইচলেণ্ডৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী থৰ্গাৰ্ডুৰ কাট্ৰিন গানাৰ্ছডট্টিৰ আৰু আইচলেণ্ডৰ সংসদৰ অধ্যক্ষ থৰুন স্বেইনবিয়াৰ্নাৰ্ডট্টিৰকো সাক্ষাৎ কৰে। তেওঁ ৰেকিয়াভিকত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰে আৰু ভাৰত-আইচলেণ্ডৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানৰ শলাগ লয়।

6. দুয়োপক্ষই নতুন দিল্লীত পাৰস্পৰিকভাৱে সুবিধাজনক তাৰিখত পৰৱৰ্তী পৰ্যায়ৰ বৈদেশিক কাৰ্যালয়ৰ পৰামৰ্শ অনুষ্ঠিত কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

ৰেকিয়াভিক

মাৰ্চ 24, 2026